NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-04-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

# HEADLINES

১। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, বিজেপিৰ ইস্তাহাৰখন যুৱশক্তি, মহিলা শক্তি, কৃষক আৰু দৰিদ্ৰ লোকৰ নামত সমৰ্পিত।

২। বিজেপি জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে দৃঢ়তাৰে কৈছে যে, যদিহে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিজেপি চৰকাৰে তৃতীয়টো কাৰ্যকালৰ বাবে শাসনলৈ আহে তেন্তে চত্তীশগড় নক্সালবাদৰ সমস্যাৰ পৰা সম্পূৰ্ণৰূপে মুক্ত হ'ব।

৩। প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা ডি আৰ ডি অ' আৰু ভাৰতীয় সেনাই কান্ধৰ পৰা নিক্ষেপ কৰিব পৰা থলুৱাভাৱে বিকশিত টেংক বিধবংসী ক্ষেপনাস্ত্ৰ প্ৰণালীৰ পৰীক্ষা সফলতাৰে সম্পূৰ্ণ কৰিছে।

৪। ৰাজস্থানৰ চিকাৰ জিলাত আজি এটা পথ দুৰ্ঘটনাত দুটি শিশুকে ধৰি ৭ জন লোকে প্ৰাণ হেৰুৱাইছে। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজিৰ প্ৰথমখন খেলত কলকাতা নাইট ৰাইডাৰ্ছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৮ উইকেটত পৰাস্ত কৰিছে।

00000000

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, বিজেপিৰ ইস্তাহাৰখন যুৱশক্তি, মহিলা শক্তি, কৃষক আৰু দৰিদ্ৰ লোকৰ নামত সমৰ্পিত। সামাজিক, বাস্তৱিক আৰু ডিজিটেল আন্তঃগাঁথনি বিজেপিৰ সৰ্বাধিক অগ্ৰাধিকাৰৰ বিষয় বুলি তেওঁ লগতে উল্লেখ কৰে। মধ্যপ্ৰদেশৰ নৰ্মদা পুৰমৰ পিপাৰিয়াত এখন জনসভাত ভাষণ দি শ্ৰী মোদীয়ে কয় যে, আগন্তুক পাঁচ বছৰৰ বাবেও চৰকাৰে সকলোবোৰ আঁচনি বৰ্তমানৰ দৰেই ৰূপায়ণ কৰি যাব। বাবাচাহেব আম্বেদকাৰৰ জন্ম বাৰ্ষিকীৰ বিষয়া উল্লেখ কৰি শ্ৰী মোদীয়ে কয় যে, আধুনিক ভাৰতত বিজেপিয়ে আম্বেদকাৰৰ অৱদানসমূহক এক নতুন পৰিচয় প্ৰদান কৰিছে। জনসাধাৰণে ম'বাইল ফোনৰ জৰিয়তে ব্যৱহাৰ কৰা ভীম, ইউ পি আই, ডিজিটেল ধন আদায় আঁচনিও বাবাচাহেবৰ নামেৰেই নামকৰণ কৰা হৈছে। শ্ৰী মোদীয়ে কয় যে, বাবাচাহেবৰ অবদানৰ বাবেই জনজাতি পৰিয়ালৰ এগৰাকী জিয়ৰী বৰ্তমান দেশৰ ৰাষ্ট্ৰপতি হ'বলৈ সক্ষম হৈছে। তেওঁ কয় যে, বিজেপি চৰকাৰে ভগৱান বীৰচামুণ্ডাৰ জন্ম দিনটোও ৰাষ্ট্ৰীয় জনজাতি গৌৰৱ দিৱস হিচাপে ঘোষণা কৰিছে।

00000000

বিজেপি জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে দৃঢ়তাৰে কৈছে যে, যদিহে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিজেপি চৰকাৰে তৃতীয়টো কাৰ্যকালৰ বাবে শাসনলৈ আহে তেন্তে চত্তীশগড় নক্সালবাদৰ সমস্যাৰ পৰা সম্পূৰ্ণৰূপে মুক্ত হ'ব। চত্তীশগড়ৰ ৰাজনন্দগাঁওৰ খেৰাগড়ত আজি এখন নিৰ্বাচনী সভাত ভাষণ দি শ্ৰী শ্বাহে বিগত

দশকত চৰকাৰৰ সাফল্যসমূহৰ আলোকপাত কৰি কয় যে, দেশৰ অধিকাংশ অঞ্চলৰ পৰা নক্সালবাদ উৎখাত কৰা হৈছে আৰু চত্তীশগড় নক্সালবাদৰ পৰা মুক্ত হ'বলৈ বাকী আছে।

চত্তীশগড়ৰ পূৰ্বৰ কংগ্ৰেছ চৰকাৰখনক সমালোচনা কৰি শ্ৰী শ্বাহে কয় যে, নক্সালবাদ প্ৰতিহত কৰাৰ বাবে তেওঁলোকৰ পদক্ষেপ ফলপ্ৰসূ নাছিল।

০০০০০০০০

বিহাৰৰ জামুই, নৱাদা, ঔৰংগবাদ আৰু গয়া সংসদীয় সমষ্টিত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান ব্যাপক কৰি তুলিছে। এই লোকসভা আসন কেইখনৰ বাবে অহা ১৯ এপ্ৰিলত ভোটগ্ৰহণ কৰা হ'ব।

এন ডি এ আৰু মহা মিত্ৰজোঁটৰ জ্যেষ্ঠ নেতা আৰু তাৰকা প্ৰচাৰকসকলে নিজ নিজ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযানত নামি পৰিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে লোক জনশক্তি পাৰ্টী ৰামবিলাশ আৰু জে ডি ইউৰ হৈ জামুই আৰু বাংকাত জনসভাত অংশগ্ৰহণ কৰে। সভাত শ্ৰী সিঙে কয় যে, বিজেপিয়ে হৈছে একমাত্ৰ দল যিয়ে প্ৰতিশ্ৰুতিসমূহ সম্পূৰ্ণৰূপে পালন কৰি আহিছে। তেওঁ কয় যে, দলে সংবিধানৰ ৩৭০ নম্বৰ অনুচ্ছেদ আৰু তিনি তালাক উঠাই দিয়াৰ প্ৰতিশ্ৰুতিও পূৰণ কৰিছে। অযোধ্যাৰ ৰাম মন্দিৰৰ বহু প্ৰত্যাশিত সপোনো প্ৰধানমন্ত্ৰী মোদীৰ কাৰ্যকালতেই বাস্তৱায়িত হৈছে বুলিও তেওঁ লগতে উল্লেখ কৰে।

শ্ৰী সিঙে আৰ জে ডি আৰু কংগ্ৰেছক লক্ষ্য কৰি তেওঁলোকক পিছপৰা শ্ৰেণী বিৰোধী দল বুলি অভিহিত কৰে। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বতে জননায়ক কৰ্পুৰী ঠাকুৰক ভাৰত ৰত্নৰে সন্মানিত কৰা হৈছে। বিজেপিৰ জ্যেষ্ঠ নেতাগৰাকীয়ে কয় যে, আৰ জে ডিৰ মুৰব্বী লালু প্ৰসাদ যাদৱৰ পৰিয়ালৰ সদস্যই হতাশাত ভূগী প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক দোষাৰোপ কৰিছে। তেওঁ কয় যে, বিহাৰৰ জনসাধাৰণে শ্ৰী মোদীক কৰা অপমানক কোনো কাৰণতে সহ্য নকৰে।

আনহাতে আৰ জে ডিৰ নেতা তেজস্বী প্ৰসাদ যাদৱে গয়া, নাৱাদা, জামুই আৰু বাংকা লোকসভা সমষ্টিকেইটাত মহা মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাদনী সভাত অংশগ্ৰহণ কৰে। শ্ৰী যাদৱে এই বুলি দাবী কৰে যে, অকল আই এন ডি আই মিত্ৰজোঁটেহে যুৱক-যুৱতীসকলৰ সপোন পূৰণ কৰিব পাৰিব। তেওঁ কয় যে, যদিহে ক্ষমতাৰ বাবে ভোট দিয়ে তেন্তে অগ্নিবীৰ নিয়োগ আঁচনিখন প্ৰত্যাহাৰ কৰা হ'ব আৰু সেনা নিয়োগৰ ক্ষেত্ৰত পুৰণি ব্যৱস্থা পুনৰ বাহাল কৰা হ'ব। তেওঁ কয় যে, কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনীৰ যিসকল লোকে কৰ্তব্য সময়ত প্ৰাণ হেৰুৱাবলগীয়া হৈছে তেওঁলোকক ছহীদৰ মৰ্যাদা প্ৰদান কৰা হ'ব। এই দুয়োটা মিত্ৰজোঁটৰ অন্যান্য দলৰ নেতাসকলেও জনসভা আৰু ৰোড শ্ব'ত অংশগ্ৰহণ কৰাৰ লগতে ঘৰে ঘৰে গৈ ভোটাৰৰ মন আকৰ্ষণৰ প্ৰয়াস চলাই আছে।

০০০০০০০০

উত্তৰাখণ্ডত লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে নিৰ্বাচনী প্ৰচাৰ অভিযান তুংগত উঠিছে। স্থানীয় দল তথা তাৰকা প্ৰচাৰকসকলে বিভিন্ন স্থানত প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰা পৰিলক্ষিত হৈছে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা যোগী আদিত্যনাথে আজি ৰাজ্যখনৰ পাউৰি জিলাৰ শ্ৰীনগৰ গড়ৱালত এখন নিৰ্বাচনী সমাৰেশক সম্বোধন কৰে। এই উপলক্ষে দিয়া ভাষণত তেওঁ বিগত দশকত ভাৰতৰ বিকাশ সন্দৰ্ভত আলোকপাত কৰে আৰু সমগ্ৰ দেশত দেখা পোৱা সংস্কাৰমূলক পৰিৱৰ্তনৰ বিষয়ে গুৰুত্ব আৰোপ কৰে। দেশৰ আভ্যন্তৰীণ সুৰক্ষা সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰৰ প্ৰয়াসৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে, বিজেপি চৰকাৰে নিজৰ ১০

বছৰীয়া কাৰ্যকালত নক্সালবাদ নোহোৱা কৰাৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে উপান্ত লোকসকলৰ কল্যাণৰ বাবে চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে আলোকপাত কৰি দৰিদ্ৰ লোকসকলৰ উন্নয়নৰ উদ্দেশ্যে ৰূপায়ণ কৰা কল্যাণকামী আঁচনিসমূহৰ বিষয়ে উল্লেখ কৰে। বিজেপিৰ ইস্তাহাৰ সন্দৰ্ভত শ্ৰী আদিত্যনাথে কয় যে যুৱপ্ৰজন্ম, মহিলা, কৃষক আৰু দৰিদ্ৰ লোকসকলৰ প্ৰয়োজনীয়তাসমূহক অগ্ৰাধিকাৰ দিয়াটো দলৰ অন্যতম মুখ্য উদ্দেশ্য।

oooooooo

প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা ডি আৰ ডি অ' আৰু ভাৰতীয় সেনাই কান্ধৰ পৰা নিক্ষেপ কৰিব পৰা থলুৱাভাৱে বিকশিত টেংক বিধবংসী ক্ষেপনাস্ত্ৰ প্ৰণালীৰ পৰীক্ষা সফলতাৰে সম্পূৰ্ণ কৰিছে। ৰাজস্থানৰ পোখৰাণ ফায়াৰিং ৰেঞ্জত কালি এই পৰীক্ষা সম্পন্ন কৰা হয়। টেংক বিধবংসী এই ক্ষেপনাস্ত্ৰ নিশা আৰু দিন যিকোনো সময়ত ব্যৱহাৰ কৰিব পৰা যায়। ইয়াৰ সহায়ত অত্যাধুনিক যুদ্ধ টেংক ধবংস কৰিব পাৰি।

ক্ষেপনাস্ত্ৰ প্ৰণালীবিধৰ সফল পৰীক্ষণৰ বাবে ডি আৰ ডি অ আৰু সেনা বাহিনীক অভিনন্দন জনাই প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ইয়াক অত্যাধুনিক প্ৰযুক্তি আধাৰিত প্ৰণালীৰ বিকাশৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতাৰ দিশে লোৱা এটা গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি অভিহিত কৰিছে।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশ্বত চলি থখা অনিশ্চয়চা আৰু উত্তেজনাৰ পৰিপ্ৰেক্ষিতত দেশত এখন শক্তিশালী আৰু সুস্থিৰ চৰকাৰৰ প্ৰয়োজনীয়তাত আলোকপাত কৰিছে। বিজেপিৰ সংকল্প পত্ৰ মুক্তিৰ সময়ত দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে কয় যে, এনে সংকটৰ সময়ত সেই অঞ্চলসমূহত বসবাস কৰা ভাৰতীয়সকলৰ নিৰাপত্তা তেওঁৰ চৰকাৰৰ অগ্ৰাধিকাৰৰ বিষয়। তেওঁ কয় যে এনে সময়ত ভাৰতৰ পূৰ্ণ সংখ্যাগৰিষ্ঠতাৰে শক্তিশালী আৰু সুস্থিৰ চৰকাৰৰ প্ৰয়োজন বহুগুণে বৃদ্ধি পাইছে। শ্ৰী মোদীয়ে ইৰাণে কালি ইজৰাইলক আক্ৰমণ কাৰ সময়েত এইদৰে মন্তব্য কৰে।oooooo

oooooooo

আপৰ নেতা আৰু দিল্লীৰ মন্ত্ৰী আটিচিয়ে বিজেপিৰ ইস্তাহাৰখনক জুমলা পত্ৰ আখ্যা দি ১০ বছৰ ক্ষমতাত থকাৰ পাছতো দলটোৱে নিজৰ কোনো প্ৰতিশ্ৰুতি পূৰণ নাই কৰা বুলি অভিযোগ তোলে। তেওঁ কয় যে, বছৰি ২ কোটি চাকৰি দিব বুলি প্ৰতিশ্ৰুতি দিয়া স্বত্তেও আজি দেশৰ নিবনুৱাৰ সংখ্যা ভাৰতৰ সৰ্বকালৰ ইতিহাসৰ ভিতৰতে সৰ্বোচ্চ। সমগ্ৰ দেশতে আয়ুষ্মান ভাৰত আঁচনিত ব্যয় কৰা ধনৰ পৰিমাণ দিল্লীৰ স্বাস্থ্য খণ্ডৰ বাজেটতকৈও কম বুলি লগতে শ্ৰীমতী অতিচীয়ে আঙুলীয়াই দিয়ে।

oooooooo

আৰ জে ডিৰ নেতা তথা বিহাৰৰ প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী তেজস্বী যাদৱে বিজেপিৰ ইস্তাহাৰখনক সমালোচনা কৰি কয় যে, ইয়াত যুৱক-যুৱতী, কৃষক তথা নিয়োগৰ লগতে বিহাৰৰ দৰে ৰাজ্যৰ বিষয়ে একো উল্লেখ নাই। তেওঁ কয় যে, ইস্তাহাৰখনত নিয়োগ প্ৰদান অথবা নিয়োগ সন্দৰ্ভত আলোচনা কৰাৰ সন্দৰ্ভত কোনো ধৰণৰ উল্লেখ নাই। তেওঁ কয় যে, বিহাৰৰ দৰে দুখীয়া ৰাজ্যসমূহক আগবঢ়াই নিয়াৰ বিষয়েও ইস্তাহাৰখনত কোনো কথা উল্লেখ কৰা হোৱা নাই। শ্ৰী যাদৱে লগতে এই বুলিও কয় যে, বিজেপি কি আৰু বিগত ১০ বছৰত তেওঁলোকে কি কৰিছে, সেয়া সকলোৰে অৱগত।

০০০০০০০০

তেলেংগানাৰ মুখ্যমন্ত্ৰী ৰেবান্থ ৰেড্ডীয়ে বিজেপিৰ ইস্তাহাৰক বিফল বেংকৰ পৰা উলিওৱা প'ষ্ট ডেটেড চেক বুলি অভিহিত কৰি কয় যে, ৰাইজে দলটোক নাকচ কৰিব। ৰাহুল গান্ধীৰ নেতৃত্বত কংগ্ৰেছে জনসাধাৰণ দুৰ্দশাৰ অন্ত পেলাব বুলি তেওঁ দৃঢ়তাৰে কয়।

০০০০০০০০

ৰাজস্থানৰ চিকাৰ জিলাত আজি এখন গাড়ী আৰু এখন ট্ৰাকৰ মাজত মুখামুখিকৈ খুন্দা লগাৰ ফলত দুটি শিশুকে ধৰি ৭ জন লোকে প্ৰাণ হেৰুৱাইছে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি গাড়ীখনৰ আটাইকেইজন লোক উত্তৰ প্ৰদেশৰ বাসিন্দা। তেওঁলোকে চলাচৰ বালাজী মন্দিৰৰ পৰা ছিচাৰ অভিমুখে গৈ থকা সময়তে এই পথ দুৰ্ঘটনাটো সংঘিট হয়।

০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজিৰ প্ৰথমখন খেলত কলকাতা নাইট ৰাইডাৰ্ছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৮ উইকেটত পৰাস্ত কৰিছে। লক্ষ্ণৌৱে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৬১ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত কলকাতা নাইট ৰাইডাৰ্ছে ১৫ অভাৰ ৪ টা বলত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়।

ইফালে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন খেলত মুম্বাই ইণ্ডিয়ানছ আৰু চেন্নাই ছুপাৰ কিংছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব।

০০০০০০০০

সমাপ্ত